# খোতবা জুমা

**ছৈয়দেনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২৮ মে তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**খিলাফতৰ সৈতে পূৰ্ণ আনুগত্যৰ প্ৰতিশ্ৰুতি আমি আমাৰ শেষ নিশ্বাস থকালৈকে অটুট ৰাখিবলৈ সকলো ধৰণৰ কোৰবাণী (আত্মবলিদান) দিবলৈ সাজু থাকিব লাগিব, তেতিয়াহে আমি আমাৰ ভৱিষ্যৎ প্ৰজন্মক খিলাফতৰ অনুগত বনোৱাৰ দায়িত্ব পালন কৰোঁতা (অধিকাৰ প্ৰদান কৰোঁতা হ'ব পাৰিম।**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে ছুৰাতুন নুৰৰ ৫৬ আৰু ৫৭ নম্বৰ আয়াত তিলাওত কৰি অনুবাদ পঢ়ি শুনায় আৰু ইয়াৰ লগতে উল্লেখ কৰে যে যোৱা কালি ২৭ মে তাৰিখ আছিল। যাক আমি জমাতে আহমদীয়াৰ খিলাফৎ দিৱস হিচাপে উদযাপন কৰি থাকো। আমি এই খিলাফৎ দিৱসৰ উদ্দেশ্যে জমাতত জলছা অনুষ্ঠিত কৰি থাকো, যাতে লোকে জমাতৰ ইতিহাস সম্পৰ্কে জ্ঞাত হ'ব পাৰে আৰু খিলাফৎ সম্পৰ্কে থকা দায়িত্ব সমূহৰ বিষয়ে আমি ভালদৰে অৱগত হ'ব পাৰো। আমাৰ ওপৰত আল্লাহ তা'লাৰ মহান কৃপা এয়া যে আমি এই যুগত আল্লাহ তা'লাৰ প্ৰেৰিত সাধু পুৰুষক মান্য কৰিছোঁ আৰু খিলাফতৰ বয়াতৰ অন্তৰ্ভুক্ত হৈছো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে যি দুটা আয়াত মই তিলাওত কৰিছোঁ তাত আল্লাহ তা'লায় ধৰ্মক সুপ্ৰতিষ্ঠিত কৰাৰ আৰু ভীতিগ্ৰস্ত অৱস্থাক অভয় আৰু শান্তিলৈ পৰিৱৰ্তিত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। কিন্তু এই প্ৰতিশ্ৰুতি দৃঢ় ঈমান,সজ আমল,ইবাদতৰ হ'ক আদায় কৰা,শিৰক মুক্ত থকা,আদি চৰ্ত সাপেক্ষে পূৰ্ণ হ'ব। এই সমূহ বস্তু অৰ্জন কৰিবলৈ নমাজ আদায় কৰা,আল্লাহৰ বাটত খৰচ কৰা, আৰু ৰছুলৰ একান্ত বাধ্য থকা অত্যাৱশ্যকীয়। গতিকে যেতিয়া আমি এই বিলাকত নিমজ্জিত থাকিম তেতিয়াহে আমি খিলাফতৰ প্ৰকৃত কল্যাণ লাভ কৰিব পাৰিম। এই আয়াত যেনেকৈ মোমিন সকলৰ বাবে এটা সু-সংবাদ তেনেকৈ ইয়াতে চিন্তাৰও বিষয় নিহিত আছে। কাৰণ যদি এই চৰ্তবিলাক সম্পূৰ্ণৰূপে পালন কৰা নহয় তেন্তে প্ৰকৃত কল্যাণও লাভ কৰিব পৰা নাযায়। যদি নমাজ,জাকাত, আল্লাহৰ প্ৰাপ্য অধিকাৰ আৰু মানৱাধিকাৰ আদায় কৰা নহয় তেন্তে আল্লাহ তা'লাৰ দয়া আৰু কৃপা লাভ কৰিব পৰা নাযায়। গতিকে কেৱল নিজৰ ইতিহাসৰ জ্ঞান লাভ কৰা আৰু খিলাফৎ দিৱস পালন কৰাটোৱে যথেষ্ট নহয়, বৰং আমি গমি চোৱা উচিত যে আমাৰ ঈমানৰ অৱস্থা কেনেকুৱা হৈ আছে। অন্তৰৰ

প্ৰশান্তি আৰু নিৰাপত্তা তেতিয়াহে উপলব্দ হ'ব যেতিয়া আমাৰ প্ৰত্যেক আমল একমাত্ৰ খোদা তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে সম্পাদিত হ'ব। হজৰত আকদছ মছীহ মাওউদ (আঃ)য়ে কৈছে যে আমলে চালেহ (সজ আমল) তাকেই কোৱা হয়, য'ত একবিন্দু মাত্ৰও বিবাদৰ স্থল নাই। মনত ৰাখিবা ! মানৱৰ আমলত সদায় চুৰ সোমাই পৰে। সেই চোৰ কি ? সেয়া হ'ল লোক দেখুৱা প্ৰদৰ্শনী মাত্ৰ, আচৰিত আৰু বিভিন্ন ধৰণৰ পাপকাৰ্য্য, যিবোৰ মানুহে মাজে সময়ে উপলব্ধি কৰিব নোৱাৰে। আনহাতে সজ আমল তাকেই কোৱা হয়,য'ত জুলুম,অত্যাচাৰ,প্ৰৱঞ্চনা,অহংকাৰ,মানৱাধিকাৰ খৰ্ব কৰাৰ বিন্দু মাত্ৰও মন নাই।

যদি এখন ঘৰত এজন লোকেও আমলে চালেহ ওয়ালা হয় তেন্তে গোটা ঘৰখনেই ৰক্ষা পৰে। কৈছে যে আমলে চালেহ (সজ আমল) আমাৰ নিজৰ চেষ্টা-প্ৰচেষ্টাৰ বলত সম্পন্ন কৰা সম্ভৱ নহয় কাৰণ সজ আমল ফাছাদ (অশান্তি) বিৰুদ্ধ,গতিকে প্ৰয়োজন হ'ল যে আমলে চালেহত যেন কোনো ধৰণৰ অশান্তিৰ বীজ নাথাকে। এয়া যেন নহয় যে আমলে চালেহ কি সেয়া নিজেই ব্যাখ্যা কৰি লোৱা,চূড়ান্ত সিদ্ধান্তত নিজেই উপনীত হোৱা। এনেকুৱা লোকে খিলাফতৰ সৈতে সম্পৰ্ক গঢ়াৰ ঘোষণা কৰাত একোৱে লাভ নাই। যিসকল লোকে একাগ্ৰচিত্তে খিলাফতৰ অনুগত আৰু বিশ্বাসী, তেওঁলোকেই খিলাফতৰ সৈতে আনুগত্যৰ সম্পৰ্ক ৰাখোতা। এওঁলোকেই হ'ল খিলাফতৰ ৰক্ষাণা-বেক্ষণ কৰোঁতা আৰু খিলাফতে তেওঁলোকক হিফাজত কৰোঁতা।

গতিকে এয়া হ'ল সেই প্ৰকৃত খিলাফৎ য'ত জমাত আৰু যুগ খলিফাৰ সম্পৰ্ক একমাত্ৰ খোদা তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে হৈ থাকে। এয়াই সেই খিলাফৎ যিটো সুপ্ৰতিষ্ঠিত এটা নিৰাপত্তাৰ কাৰক। বেলেগ মুছলমান যিসকলে জাগতিক উপায় আৰু চেষ্টা-প্ৰচেষ্টাৰে খিলাফৎ প্ৰতিষ্ঠা কৰিব বিচাৰে, তেওঁলোকৰ সেই উপায় আৰু চেষ্টায় তেওঁলোকক একো লাভালাভ আনি দিব নোৱাৰে। এওঁলোকে যিমানেই কৌশল অৱলম্বন নকৰক কিয়,এতিয়া সেইদৰেই খিলাফৎ জাৰি থাকিব যেনেকৈ আল্লাহ তা'লা মনোনীত কৰিছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে পুস্তক আলঅচিয়তত খিলাফতৰ নিজাম সম্পৰ্কে বিতং ব্যাখ্যা আগবঢ়াইছে। তেখেত (আঃ)য়ে কৈছে যে এয়া হ'ল খোদা তা'লাৰ চুন্নত যে নবী আৰু ৰছুল সকলক সহায় কৰি থাকে আৰু যি সত্যতা (ঈমানদাৰী) জগতত বিস্তাৰ কৰিব বিচাৰে তাৰ বীজ এখেত সকলৰ হাতেৰে বপন কৰে কিন্তু এখেত সকলৰ হাতেৰে তাৰ সম্পূৰ্ণতা দান নকৰে। বৰং এনেকুৱা এটা সময়ত নবী সকলৰ হয় যে যিয়ে এক ধৰণৰ অকৃত বিদ্ৰূপ কৰাৰ সুযোগ দিয়ে। যেতিয়া তেওঁলোকে ঠাট্টা বিদ্ৰূপ কৰি থাকে তেতিয়া আকৌ আল্লাহ তা'লাই নিজৰ মহাপৰাক্ৰমী অইন এটা হাত প্ৰদৰ্শন কৰে আৰু এনেকুৱা উপায় আছবাবৰ জন্ম দিয়ে, যাৰ জৰিয়তে বাকী ৰৈ থকা কাম খিনি সম্পূৰ্ণ কৰি দিয়ে।

আমি দেখিবলৈ পাওঁ যে য'ত হজৰত মছীহ মাওউদ (আঃ)ৰ মৃত্যুয়ে প্ৰত্যেক আহমদীক কপাই তুলিছিল তাত বিৰুদ্ধবাদী সকলে আনন্দত মতলীয়া হৈ পৰিছিল। তেখেত (আঃ)ৰ মৃত্যু সম্পৰ্কে এনেকুৱা অপপ্ৰচাৰ চলোৱা হৈছিল যে সেয়া শুনি মানৱতাবাদে লাজ, অপমান বোধ কৰিছিল। এইবোৰ অযথা কথাৰ বৰ্ণনা দিয়াৰ প্ৰয়োজন নাই। কিন্তু তেওঁলোকে জমাতৰ সুন্দৰ বেটু-পাত বিনষ্ট কৰিবলৈ আৰু জমাতৰ পৰা তৌবা কৰিবলৈ মিছা খবৰ প্ৰচাৰ কৰে,সেয়া অলপ উল্লেখ কৰি দিছো। পীৰ জমাত আলি শ্বাহৰ মুৰিদ (ভক্ত) সকলে কৈছিল যে মিৰ্জাই সকলে তৌবা কৰি আহি বয়াত কৰি আছে। খোৱাজা হুছেন নিজামি চাহাবে আহমদী সকলক পৰামৰ্শ দিছিল যে মিৰ্জা চাহাবৰ মৃত্যু হৈছে এতিয়া তোমালোকক কোনেও চম্বালি ল'ব নোৱাৰে। গতিকে আহমদীয়ত এৰি দিয়া আৰু আমাৰ লগত আহি চামিল হৈ যোৱা। তেওঁ এয়া গম পোৱা নাছিল যে আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ক ইলহামান কৈছে যে মই তোমাৰ লগত আৰু তোমাৰ প্ৰেমাস্পদ সকলৰ লগত আছো। তেখেত

(আঃ)ক আল্লাহ তা'লা শান্তনা প্ৰদান কৰিছিল যে অন্যান্য আম্বিয়া সকলৰ দৰেই তোমাৰ পিছতও খিলাফতৰ ছিলছিলা আৰম্ভ হ'ব। কিছুমান দুৰ্বল মানসিকতাৰ আহমদী যিসকলে হজৰত মছীহ মাওউদ (আঃ)ক নবী বুলি কওঁতে দ্বিধাবোধ কৰে,তেওঁলোকৰ বাবে ইয়াতে উত্তৰ আহি গৈছে। তেখেত (আঃ)য়ে নিজে উল্লেখ কৰিছে যে মোৰ জমাত নবীৰ (অনুসাৰী)জমাত আৰু মই নবী হওঁ। দ্বিতীয় কুদৰত (নিদৰ্শন)ৰ জাৰি থকা সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই খোদা তা'লাৰ ফালৰ পৰা এটা কুদৰতী ৰঙত আগমন কৰিছোঁ আৰু মই খোদা তা'লাৰ এক মূৰ্ত্তিমান কুদৰত আৰু মোৰ পিছত (যোৱাৰ পিছত) আৰু কিছুমান সত্তাৰ আৰিৰ্ভাব ঘটিব যি দ্বিতীয় কুদৰতৰ প্ৰতিচ্ছবি হ'ব।

গতিকে আমি আজি ১১৩ বছৰ ধৰি হজৰত মছীহ মাওউদ (আঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী আল্লাহ তা'লাৰ কৃপা আখৰে আখৰে পূৰ্ণ হৈ থকাটো দেখিবলৈ পাই আছো। কাৰ্জন গ্যাজেট প্ৰত্ৰিকায় হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)ৰ বিষয়ে লিখিছিল যে মিৰ্জাই সকলৰ এতিয়া আৰু কি ৰৈ আছে ? তেওঁলোকৰ মূৰ কাটি গৈছে ! এজন ব্যক্তিয়ে তেওঁলোকৰ ইমাম হৈছে। তেওঁৰ দ্বাৰা একোৱে নহ'ব হয় ! তেওঁ হয়তো তোমালোকক মছজিদত কোৰ-আন পঢ়ি শুনাব পাৰিব। এইবোৰ কথা শুনি হজৰত খলিফাতুল মছীহ আউৱাল (ৰাঃ)য়ে কৈছিল- খোদা কৰক এয়াই যেন হয়, মই যেন তোমালোকক কোৰ-আন শুনাব পাৰো।

তেখেত (ৰাঃ)য়ে এই কাম খুবেই সুন্দৰ ভাৱে কৰিছিল আৰু লগতে মুনাফিক আৰু আঞ্জুমানৰ কিছুমান নেতৃবৃন্দৰ বিবাদক এনেকুৱা কঠোৰ হাতেৰে দমন কৰিছিল যে কোনেও সাহস পোৱা নাছিল যে কোনো ধৰণৰ চয়তানী কৰি বিপদ ঘটাব।

আকৌ যেতিয়া হজৰত খলিফাতুল মছীহ দ্বিতীয় (ৰাঃ) য়ে খলিফা নিযুক্ত হৈছিল তেতিয়া আঞ্জুমানৰ কিছুমান নেতাবৰ্গই আঞ্জুমানৰ সকলো ধন লুটি লৈ তাৰ পৰা গুচি গৈছিল। কিন্তু জগতে দেখিবলৈ পাইছে যে কেনেদৰে খিলাফতৰ জৰিয়তে আল্লাহ তা'লা জমাতক সুপ্ৰতিষ্ঠিত কৰিছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ ৫২ বছৰীয়া খিলাফৎ কালে এই কথাৰ সাক্ষী বহন কৰি আহিছে যে সেইজন ডেকা যাৰ ওপৰত আল্লাহ তা'লায় খিলাফতৰ দায়িত্ব অৰ্পন কৰিছিল। তেওঁ কিমান বেগেৰে জমাতক লৈ উন্নতিৰ চৰম শিখৰত গৈ উপনীত হৈছে।

১৯৬৫ চনত এখেত (ৰাঃ)ৰ মৃত্যুৰ পিছত খোদা তা'লায় আকৌ কুদৰতে ছানিয়াৰ তৃতীয় স্তম্ভ থিয় কৰাইছিল। এখেত (ৰাঃ)ৰ খিলাফৎ কালত জগত জুৰি জমাতে আহমদীয়ায় পৰিচয় লাভ কৰিছিল। ১৯৭৪ চনত যেতিয়া আহমদী সকলক অমুছলিম ঘোষণা কৰা হৈছিল আৰু জমাতৰ হাতত ভিক্ষাৰ জোলোঙা তুলি দিবলৈ ষড়যন্ত্ৰ কৰিছিল তেতিয়া আল্লাহ তা'লায় সেই শত্ৰু সকলৰ পৰিকল্পনা ধূলিসাৎ কৰি জমাতৰ আৰ্থিক সৰবৰাহৰ এক নতুন বাট মুকলি কৰি দিছিল।

১৯৮২ চনত চতুৰ্থ খিলাফতৰ আৰম্ভণীত জমাতৰ উন্নতি চাই শত্ৰু সকলে হিতাহিত জ্ঞান হেৰুৱাই খিলাফতে আহমদীয়াক বেকাৰ (পঙ্গু) বনাবলৈ ডাঙৰ পৰিকল্পনা হাতত লৈছিল। কিন্তু খোদা তা'লায় তাৰ অসাধাৰণ সহায়েৰে হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)ৰ হিজৰতৰ উপায় উলিয়াই দিছিল। যাৰ ফলত ছ্যাটেলাইটৰ জৰিয়তে আহমদীয়ত অৰ্থাৎ প্ৰকৃত ইছলামৰ পয়গাম (বাৰ্তা) আজি ঘৰে ঘৰে প্ৰচাৰ হৈ আছে।

২০০৩ চনত হোৱা হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)ৰ মৃত্যু জমাতৰ বাবে বৰ ডাঙৰ আঘাত আছিল। কিন্তু খোদা তা'লা মোমিন সকলৰ প্ৰাৰ্থনা শুনিছিল আৰু এওঁলোকৰ ভীতিগ্ৰস্ত অৱস্থাক আকৌ এবাৰ নিৰাপদ,শান্তিলৈ পৰিৱৰ্তিত কৰিছিল। ইছলামৰ আগমনৰ সময় ছোৱাত খিলাফতে ৰাশেদা আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী চাৰিজন খলিফাৰ মাজতেই অন্ত পৰিছিল আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ আৰিৰ্ভাবৰ পিছত যেনেকৈ

ইছলামৰ ইতিহাসত বহু নতুন অধ্যায়ৰ সুচনা হৈছে,পঞ্চম খিলাফতও তাৰেই এটা অধ্যায় আৰু এই খিলাফতও আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী চলি আছে। এই খিলাফতৰ সময় ছোৱাত অসাধাৰণ বেগেৰে বিশ্বজুৰি জমাতৰ পৰিচয় ঘটি আছে। কোৰ-আন মজিদৰ অনুবাদৰ কাম,হজৰত মছীহ মাওউদ (আঃ)ৰ কিতাপৰ মুদ্রণ,এম,টি.এৰ বিস্তাৰ আদি সকলো ক্ষেত্ৰতেই অসাধাৰণ উন্নতি পৰিলক্ষিত হৈছে। ক'ৰোনা মহামাৰীৰ সময়ত অন-লাইন সাক্ষাতৰ নতুন পদ্ধতি আৰম্ভ হৈছে,যাৰ জৰিয়তে খলিফায়ে ওয়াক্ত আৰু জমাতৰ মাজত পোনে পোনে যোগাযোগ চলি আছে। এই সকলোবোৰ নিয়ামত প্রদান কৰি আছে। গতিকে আমি আল্লাহ তা'লাৰ শলাগী ভৃত্য হৈ তাৰ আগত নতশীৰ হোৱাৰ আৰু খিলাফতৰ বিশ্বাসী হোৱাৰ প্রয়োজন আছে। আল্লাহ তা'লা এই ছিলছিলাৰ পূর্ণ গতিৰে উন্নতি আমাক অৱলোকন কৰাওঁক। আমাৰ ইবাদত,নমাজ আৰু আমাৰ সমূহ আল্লাহ তা'লাৰ সন্তুষ্টি অর্জন কৰোঁতা হওঁক।

আজি আকৌ আহ্বান থাকিল যে পাকিস্তানৰ আহমদী আৰু সকলো নিপীড়িত আহমদী সকলৰ নিৰাপত্তাৰ বাবে দোৱা কৰিব। পেলেষ্টাইনৰ সৈতে সকলো নিপীড়িত মুছলমানৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা সকলোৰে বিপদ-আপদ দূৰীভূত কৰে যেন। আমি যেন অতি সোনকালে ইছলাম আৰু হজৰত মহম্মদ (ছাঃ)ৰ পতাকা উৰি থকা আৰু গোটা বিশ্বত তৌহিদ প্রতিষ্ঠিত হোৱা দেখিবলৈ পাওঁ। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 28 MAY 2021**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**